বিজ্ঞান ধাৰাৱাহিক খণ্ড - ৩৭

সম্পদ, সৰক্ষণ আৰু উন্নয়ন ড০ ৰমেশ চন্দ্ৰ গোস্বামী

চৰিত্ৰ সমূহ –

১. দীপু - নৱম শ্ৰেনীৰ ছাত্ৰ
২. ৰুপু - সপ্তম শ্ৰেনীৰ ছাত্ৰী
৩. মাক – স্কুল শিক্ষয়িত্ৰী
বিজু – দীপু – ৰুপুৰ মোমায়েক ( কলেজৰ অধ্যাপক)

(ঘোষনা)

ৰুপু - মা, অ’ মা

মাক - মই পাকঘৰত।

ৰুপু- দীপু - ৰ’বা গৈছোঁ।

মাক - কচোন কি হ’ল ..

ৰূপু - বংশীয়ে কিমান পানী নষ্ট কৰিছে চোৱাগৈচোন।

মাক - মানে? কেনেকৈ?

দীপু - তেওঁ দেউতাৰ বাইকখন ধুই আছে, ধুই আছে, ধুই আছে।

ৰূপু - তুমি তেওঁক বন্ধ কৰা। আমাৰ কথা নুশুনেই।

মাক - হয়নে? সি পানীৰ মূল্য বুজা নাই। ৰচোন, হে-হেৰৌ বংশী, ইমান পানীযে নষ্ট কৰিছ ...

দীপু – পৰহি আমাক এনেবোৰ কথাকে কৈছিল বুইছা মা। বকৃতা দিবলৈ নগৰৰ এগৰাকী অধ্যাপক আহিছিল। তেওঁ মাটি আৰু পানীৰ ব্যৱহাৰ কেনে হোৱা উচিত সেই বিষয়ে অতি সুন্দৰকৈ কৈছিল।

ৰূপু- ময়ো শুনিছিলোঁ মা। দেউতা অহাই নাই নেকি?

মাক – আহিব। ইমান পটককৈ গাড়ী ধোৱা হ'বনে?

ৰূপু – আমাক নিব কেতিয়া?

মাক – ক'লৈ?

ৰূপু –অ' তুমি পাহৰিলাই নেকি – আমিযে এটা প্ৰজেক্ট কৰিবলৈ ওলাইছোঁ?

দীপু – পৰহি  বকৃতাটোৰ পাছতে ছাৰে এটা প্ৰজেক্ট দিছে। যাৰ মন যায় কৰিব পাৰে। আমি কৰিম বুলি ক'লোঁ।

ৰূপু – দুয়ো মিলি কৰিম।

মাক – কৰ তহঁতে। তাত দেউতাকৰ কি কাম?

দীপু – দেউতাই আৰিম্ভণিৰ কামখিনিত সহায় কৰিব লাগিব। আমাক হাবি – জংঘল, নদ – নদী আদি দেখুৱাই দিব লাগিব। সেইবোৰ চাই, ঘুৰি – মেলি আমি কিবা কিবি জৰীপ কৰিব লাগিব।

ৰূপু – ফটোও ল'ব লাগিব।

দীপু – ক'ত গছ-গছনি কাটি তহিলং কৰিছে, ক'ত কি ধৰণৰ খহনীয়া হৈছে – এনেবোৰ তথ্য সংগ্ৰহ কৰিব লাগিব। তাৰ পাছতহে তথ্যবোৰৰ পৰা –

(বে’ল বাজে)

মাক – যাচোন কোন আছিছে চাগৈ –

ডুয়ো – অ’, বিজু মামা। আহক, আহক।

ৰূপু – মা, মামা আহিছে। (মাক দূৰত থকাৰ দৰে)

মাক – অ’ তই। বহ। ভালেই হ’ল ইহঁতৰ।

বিজু – মানে বাইদেউ?

মাক – ক’ম বহচোন। ঘৰত ভালনে?

বিজু - আছে আৰু। বাৰু কচোন এতিয়া।

মাক- ইহঁতে হেনো পৰিৱেশৰ ওপৰত কিবা প্ৰজেক্ট কৰিব। তইতো পৰিৱেশৰ অধ্যাপক। সেয়ে ...

ডুয়ো - বাঃ, আমি বাচি গ’লো।

দীপু – মামা, প্ৰজেক্টৰ গাইড আপুনিয়ে হ’ব লাগিব।

বিজু – চিন্তা কৰিব নালাগে। পোনতে ক প্ৰজেক্টৰ নাম কি হ’ব?

দীপু – নাম হ’ব ‘সম্পদ, সংৰক্ষণ আৰু উন্নয়ন’।

বিজু – ভিন্দেউ ক’তা? ।

ৰূপু – দেউতা গাড়ী ধুৱাই আনিবলৈ গৈছে। আমাৰ প্ৰজেক্টৰ কামত কিছুমান ঠাইলৈ নিব এতিয়া।

বিজু – বাঃ,  জোৰদাৰ লাগি গৈছ দেখোন অ’!বাইদেউ তই ব্ৰেকফাষ্ট ৰেডি কৰ। ৰেডি হয় মানে ইহঁতৰ লগতে অলপ কথা পাতোঁ।

মাক – ৰেডি হৈয়ে আছে। ৰ’বি অকনমান।

বিজু – দীপু ...

দিপু – ৰ’ব মামা, বংশীয়ে বাইকখন ধুই আছে। তেওঁ পানীৰ টেপটো বন্ধ কৰিবই নোখোজে। মই বন্ধ কৰাই আছোঁ।

বিজু – হয়, এইটোৱেই মূল কথা। ই সংৰক্ষণৰ আদি পাঠ।

ৰূপু – মানে মামা?

বিজু – চাহঁক, আমাৰ জীৱনটো বচাই ৰাখিবলৈ হ’লে বহু কিবা কিবি লাগিব। কিন্তু তাৰ ভিতৰত একেবাৰে অনিবাৰ্য্য কি কি ক’ব পাৰিবিনে?

ৰূপু – বায়ু আৰু পানী।

দীপু – মাটি নহ’লেও নহ’ব।

বিজু – একেবাৰে ঠিক কথা। আন নহ’লেও মাটি, পানী আৰু বায়ু – এই তিনিটা উপাদান লাগিবই।

মাক – ভাইটি ব’ল। ডাইনিং টেবুললৈ আহ। দীপু, ৰূপু তহঁতো আহ।

দুয়ো – মামা ব’লক।

(সংগীত – ব্ৰেকফাষ্ট খোৱাৰ পৰিৱেশ)

মাক – তহঁত ড্ৰইংৰুমলৈ যাহঁক। মই এতিয়াই গৈ আহোঁ।

বিজু – বাৰু, আমি কি কথা পাতি আছিলোঁ?

দীপু- মাটি, পানী আৰু বায়ুৰ সংৰক্ষণৰ কথা।

বিজু – মাটি, হাঁ মাটি। এনেকুৱা লাগে, পানী আৰু বায়ুৱেহে আমাক বচাই ৰাখিছে। মাটিটো খাব নোৱাৰি। নে কি কৱ?

ৰূপু – নহয় মামা, মাটি নহ'লে আমি ক'ত ঘৰ সাজি থাকিম? (প্ৰশংগ সলাই) – অ' মা আহিলা, এইপিনে বহা।

মাক – বাৰু!মাটি নহ'লে খোৱা বস্তু পাম ক'ত? খেতি কৰিব ক'ত? গছ – বিৰিখ নহ'লে মানুহ বাচি থাকিবনে?

বিজু – ব্ৰেকফাষ্টতযে খালোঁ, ৰুটি, ভাজি, ৰাজমাহৰ তৰ্কা – এইবোৰ ক'ৰ পৰা আহিল? ভাজিত থকা কাচকল, বেঙেনা, আলু – এবোৰ পানীত হয় নে বায়ুত?

দীপু – গজেতো মাটিতে, কিন্তু পানী নহ'লে নচলে।

বিজু – মুঠতে খোৱা  বস্তু পাবলৈ হ'লে মাটি লাগিবই।

মাক – মাটিয়েহে শস্যবোৰৰ পুষ্টিৰ যোগান ধৰে।

বিজু – গতিকে মাটি, বা ভূমি সংৰক্ষণ অত্যন্ত জৰুৰী কথা। পিছে মাটি সংৰক্ষণ বুলিলেনো আমি কি বুজিব লাগে?
(অলপ ৰৈ) মাটি সংৰক্ষণ মানে পৃথিৱীপিঠিৰ ওপৰৰ তৰপৰ মাটি ক্ষয়ী হোৱাৰ পৰা ৰক্ষা কৰা, আৰু লগতে মাটিক খেতিৰ উদ্দেশ্যে উৰ্বৰা কৰি ৰখা। সংৰক্ষণৰ বাবে এই দুয়োটাই মূল কথা। কি ক'লোঁ কচোন এতিয়া।

ৰূপু – পৃথিৱী পিঠিৰ আমি দেখা পোৱা মাটিক খেতিৰ কাৰণে উৰ্বৰা কৰি ৰাখিব লাগিব। আৰু –

দীপু – আৰু আনটো অৰ্থ হৈছে, মাটি ক্ষয় হৈ আঁতৰলৈ যাব দিব নালাগিব।

বিজু – বেছ। পিছে মাটিনো কি কি কাৰণত ক্ষয় হয় জাননে তহঁতে? (অলপ ৰৈ) অন্ততঃ দুটা ডাঙৰ কাৰণ আছে। অনুমান কৰ।

ৰূপু – পানীৰ সোঁতে ঢিলা মাটি পালে খান্দি লৈ যায়।

বিজু – আনটো কাৰণ?

দীপু – বতাহেও এঠাইৰ মাটি আনঠাইলৈ উৰুৱাই নিব পাৰে।

মাক – বিশেষকৈ বালিয়াৰি মাটিতহে তেনে সম্ভাৱণা বেছি। নহয়নে ভাইতি?

বিজু – হয়। আমাৰ অসমত পানীয়ে উটুৱাই নিয়াৰহে সম্ভাৱণা বেছি। নদীৰ গৰাখহনীয়া আন এটা ডাঙৰ কাৰক। তেনেদৰে বছৰি কম মাটি জাহ গৈছেনে!

ৰূপু – বাৰিষা কালত টিভিটো খুলিলেই প্ৰায়েই দেখোঁ।

মাক – এৰাতোন, মাজুলীখন খহাই – খহাই শেষ কৰিব এতিয়া। বৃহত্তম নদীদ্বীপ বুলি যি নাম আছে তাত চেকা পৰিবৰ উপক্ৰম হৈছে।

দীপু – দেখা গ’ল, বায়ু আৰু পানীয়ে মাটিৰ অনিষ্টহে সাধন কৰিছে।

বিজু – এটা কথা, বুইছ – মাটি বোঁলোতে ঘৰ – বাৰী সজা মাটিৰ কথাও বুজিব লাগিব, ৰাস্তা – ঘাট নতুবা অন্যান্য নিৰ্মান কাৰ্য্য চলোৱামাটিৰ কথাও বুজিব কাগিব। পাহাৰ – ভৈয়াম সকলো ঠাইৰ মাটীকো বুজিব লাগিব। এইবোৰ মাটিৰ গুণাগুণৰ বৰ কথা নাই। কিন্তু খেতিৰ মাটি উৰ্বৰ হ’বই লাগিব। উৰ্বৰ মানে খেতিৰ মাটিত উদ্ভিদৰ বাবে দৰকাৰী সাৰ থাকিব লাগিব। মানে পুষ্টি দ্ৰব্য থাকিব লাগিব। নদীৰ পলস পৰা মাটি উৰ্বৰ হয়।

মাক – ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে প্ৰায়খিনি অংশতে নদন – বদন শস্য দেখিবলৈ পোৱা যায়। এয়া নিশ্চয় পলসুৱা মাটিৰ অৱদান। কি কৱ বিজু?

দীপু – খৰালি কালত আনকি নদীৰ বুকুত পৰা বালিচৰতো ধুনীয়া খেতি দেখা পাওঁ।

বিজু – হয়, হয় দীপু? পলসুৱা মাটিৰ বাবেই সুন্দৰ খেতি হয়। পিছে এটা কথা নহয় দীপু..

দীপু- কওক মামা...

বিজু – খেতিৰ মাটি চহাওঁতে বহুতে কি কৰে – মাটি পৰীক্ষা কৰি ন'লৈ নিজৰ ইচ্ছামতে ৰাসায়নিক সাৰ দিয়ে।

মাক – তেতিয়া মাটিৰ স্বাভাৱিক উৰ্বৰতা থাকিবনে? খেতিৰ বাবেওতো সুবিধাজনক নহ'ব!

বিজু – ওহোঁ। স্বাভাৱিকতে যি উৰ্বৰতা থাকে, সেয়া নাইকিয়া হ'বই। গতিকে খেতিৰ বাবে অনুপযোগী হ'ব।

দীপু – এনেদৰে মাটিখিনি থাকিও হেৰাই যোৱাৰ দৰে নহ'বনে মামা?

বিজু – এৰা, মাটি আছে অথচ খেতি নহয়, বা খেতি বেয়া হয়। গতিকে মাটিখিনি নোহোৱা হোৱাৰ নিচিনাই আৰু।

মাক – এনেদৰে আওপকীয়া ৰাস্তাৰেও মাটি কমি গৈ আছে।

বিজু – আৰু চা, অকল অসমতে নহয়, দিনে দিনে পৃথিৱীত জনসংখ্যা বাঢ়ি গৈ আছে। ফলত ঘৰ – বাৰী সজাতো মাটি বহু পৰিমাণে ব্যৱহাৰ কৰিব লগা হৈছে। আন নালেগে তহঁতৰ অঞ্চলটোতেই দেখিছ কিমান মাটি কমি গৈ আছে।

দুয়ো – হয়।

বিজু – কিন্তু যিখিনি এতিয়াও আছে, বিশেষকৈ খেতিৰ কাৰণে – তাক যিকোনো উপায়ে সংৰক্ষণ কৰিবই লাগিব। নহ'লে খাদ্যৰ অভাৱতে বহু মানুহ নিঃশেষ হ'ব লাগিব।

মাক – মাটি সংৰক্ষণৰ বাবে চৰকাৰী ব্যৱস্থাওতো থাকিব লাগে?

বিজু – চৰকাৰী ব্যৱস্থা আছে। কিন্তু আমাৰ মানুহ চৰকাৰী ব্যৱস্থাৰ প্ৰতি উদাসীন।

দীপু – মানে মামা?

বিজু – চা, মাটিত ৰাসায়নিক সাৰ দিয়াৰ বাবে চৰকাৰে আৰু কৃষি বিজ্ঞানী সকলে বহুতো নীতি – নিৰ্দেশনা দিছে। যেনেধৰ, সাৰ দিয়াৰ আগতে মাটি খিনিক কি ধৰণৰ সাৰ লাগে, কোনটো খেতিৰ বাবে মাটি খিনি কিমান উপযোগী, কেনে অৱস্থাত কি পৰিমাণৰ সাৰৰ যোগান ধৰিব লাগিব – এনেবোৰ কথা বিশেষজ্ঞ বিজ্ঞানীৰ দ্বাৰা পৰীক্ষা কৰাই ল'ব লাগিব। কিন্তু সৰহভাগ কৃষকে কি কৰে বজাৰৰ পৰা কিবা সাৰ আনি যেতিয়াই মন যায় তেতিয়াই মাটিত মিহলি কৰিব। পৰিমাণো বৰ বেছি নাচায়। কেতিয়া দিব লাগিব তাৰ প্ৰতিও ভ্ৰুক্ষেপ নাই! ভুকুতে কল পকাই ধণী হ'ব লাগে তেওঁলোক। মাটিৰ গুণাগুণ, মাটিৰ ভৱিষ্যত জহান্নামে যাওক।

দীপু – মাটি এডৰাত কোনো খেতি কৰিলে খেতিয়ে তাৰ পৰা সাৰৰ পুষ্টিদ্ৰব্য লৈ নাযাবনে?

বিজু – নিশ্চয় যাব। সেইবাবে পাছৰ খেতিৰ কামত অহাকৈ আৰু সাৰ দিব লাগিব। (অলপ ৰৈ) মাটি এক প্ৰকাৰ বেংক একাউন্টৰ নিচিনা। একাউন্টৰ পৰা পইচা উলিয়ালি। তাৰ পাছত যদি তাত পুনৰ পইচা জমা নিদিয়, তেন্তে কি হ'ব?

ৰূপু – পইচা কমি যাব?

বিজু – আৰুনো কি? একেদৰে মাটিতো সাৰ নথকা হ'ব। খেতি ভাল নহ'ব।

মাক – সাৰ দিয়া প্ৰক্ৰিয়াটো শুধৰাই তুলিলেহে মাটি সংৰক্ষণত সহায় হ’ব।

বিজু – এৰাতোন। বাৰু তহঁতক খেতিৰ মাটি সংৰক্ষণত কথাহে কৈ আছোঁ। এতিয়া অন্য মাটিৰ কথালৈ আহোঁ।

দীপু – মামা, বতাহে মাটি উৰুৱাই নিয়ে –

বিজু – তাকে ক’বলৈ লৈছোঁ দীপু।

ৰূপু – মই কওঁনে মামা?

বিজু – ক।

ৰূপু – বতাহে উৰুৱাই নিবলৈ হ’লে মাটি কিহবাৰে ঢাকি দিব লাগিব।

বিজু – সেয়াতো ঠিকেই, কিন্তু কিহেৰে ঢাকিবি?

দুয়ো – তেনে মাটিত গছ –গছনি ৰুব লাগিব।

মাক – গছ – গছনি থাকিলে অকল বতাহৰ পৰাই নহয়, পানীৰ সোঁতৰ পৰাও বচাব পাৰি।

বিজু – ঠিক কথা। উদ্ভিদৰ শিপাই মাটিত খামুচি ধৰি থাকে। গতিকে মাটিখিনি ঢাকি থোৱাৰ নিচিনা হয়। বতাহ বা পানীয়ে খান্দি – কুৰি লৈ যোৱাত বাধা পৰে। তদুপৰি এটা কথা - উদ্ভিদৰ ডাল –পাত অংশই বতাহৰ সোঁতকো কিছু বাধা দিয়ে।

দীপু – বন ঘন হ’লে পানীৰ সোঁতকো বাধা দিব পাৰে।

ৰূপু – হয় হয়। বৰষুণৰ দিনত আমাৰ সমুখৰ নলাইদি জোৰেৰে পানী বৈ যায়। কিন্তু মাটি খান্দি নিদিয়ে। গোটেই নলাতযে দীঘলীয়া ধৰণৰ ঘাঁহ আছে।

বিজু – অকল নলা – নৰ্দমাৰ মাটিহেযে ৰক্ষা পৰে তেনে নহয়। উদ্ভিদ থাকিলে নদীৰ গৰাত থকা মাটিও বহু নিৰাপদে থাকে।

মাক – তদুপৰি এটা কথা মনলৈ আহিছে – বিজু –

বিজু – কচোন।

মাক – গছ – গছনি থকা মাটিত গছৰ পাত- তাত পৰি সেইবোৰ পচি যাব পাৰে।

দীপু – পানী পালেহে পচিব মা।

মাক – অৱশ্যে। যদি পচি যায়, পচা পাতবোৰে কিছু পৰিমাণে হ'লেওতো জৈৱ সাৰৰ কাম কৰিব?

বিজু – সঁচা। গতিকে বুজি পালিনে দিপু আৰু ৰূপু, গছ ৰোৱাটোৱে মাটি দুয়োধৰণে সংৰক্ষণ কৰিব পাৰে। কি কি দুই ধৰণে কচোন এতিয়া।

দীপু – গছ থাকিলে পানী আৰু বতাহে মাটি খান্দি নিয়াত বাধা পায়।

ৰূপু – আনটো মই কওঁ, তলত যদি পানী থাকে, গছৰ পাতবোৰ সৰি পৰিলে পচি যায় আৰু সময়ত সাৰ হৈ পৰে।

বিজু – ঠিক পানী নহ'লেও কথানাই, সেমেকা হ'লেই পচি যাব। - মাটি সংৰক্ষণ কৰিবৰ কাৰণে আন কিছুমান পদ্ধতিও আছে। সেইবোৰ বাৰু থাকক। এতিয়া আন এটা কথাহে কওঁ তহঁতক। আজিকালি বহুতো খেতিয়কে এটা নকৰিবলগীয়া কাম কৰে।

দুয়ো – কওঁক মামা।

বিজু – তেওঁলোকে ধান, মাহ, কুঁহিয়াৰ, সৰিয়হ আদি শস্য চপোৱাৰ পাছত গা – গছৰ যি অংশ মাটিত ৰৈ গ'ল তাত জুই লগাই পুৰি দিয়ে। তেওঁলোকে ভাবে, পথাৰখন চাফা হওক, নতুন খেতিৰ বাবে সাজু হৈ উঠক।

ৰূপু – জুই জ্বলোৱা দেখিয়ে থাকোঁ মামা।

বিজু – নহয়, কৰাটো অনুচিত। জুইৰ তাপত মাটিত থকা অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ পোক – পতংগও নিঃশেষ হৈ নাযায়েন? এইদৰে মৰি যোৱা পোক – পতংগৰ ভিতৰত বহুতো লাগতিয়াল অনুজীৱও থাকে। সেইবোৰে মাটি উৰ্বৰা কৰি ৰখাত বাৰুকৈ সহায় কৰে।

মাক – হুঁ – পথাৰত নৰা – ঠাৰি আদি জ্বলোৱাটো মাটি সংৰক্ষণৰ পৰিপন্থী। বুজিলিনে কথাটো?

দুয়ো – হয় মা, আমাৰ চৌহদত তেনেকাম কেতিয়াও কৰা নাই।

বিজু – নৰা বা গুৰিভাগে আৰু শুকান ডাল-পাত বা ঘাঁহ-বনে মাটিত পানী ধৰি ৰখাত সহায় কৰে। মাটিৰ বাবে দৰকাৰী অনুজীৱৰ বংশ বৃদ্ধিও ভালদৰে হয়।

দীপু – আমাৰ প্ৰজেক্টত এই কথাবোৰ বিশেষভাৱে পোহৰলৈ আনিম।

বিজু – আৰু এটা কথা – সৰহভাগ শস্যৰ ঠাৰি অংশত ৭০ৰ পৰা ৭৫ শতাংশ পটেছিয়াম থাকে। পুৰি পেলালে সেয়াওতো অবাবতে যায়।

মাক – পোৰাৰ সলনিতো পচন সাৰ কৰিব পাৰি! তেনে কৰিলে ঠাইবোৰো লেতেৰা নহ'ল, সাৰো পোৱা গ'ল।

বিজু – পচন সাৰত উদ্ভিদৰ আৱশ্যকীয় ১৫/১৬ বিধ পুষ্টিদ্ৰব্য থাকে। আনহাতে ৰাসায়নিক সাৰত মাত্ৰ তিনিবিধহে থাকে। কি কি জাননে তহঁতে?

দীপু –নাইট্ৰ'জেন, ফছফৰাছ আৰু পটেছিয়াম।

বিজু – ঠিকেই। এইতিনিবিধেই থাকে। বাৰু – আমি মাটি সংৰক্ষণৰ বিষয়ে কথা পাতি আছোঁ।

ডুয়ো – হয় মামা।

বিজু – পিছে মোৰ নিজৰে চোন সংৰক্ষণ সন্দেহজনক হৈ উঠিছে অ’!

মাক – বুজিছোঁ, তোক চাহ একাপ লাগিব। ৰ’বি।

বিজু – পানী এগিলাচ হ’লেও চলি যাবদে বাইদেউ। ( আটায়ে হাঁহে)

(সংগীত)

বিজু – এয়া পানী খাই ল’লোঁ। ফিল্টাৰৰ পানী। ফ্রিজত থোৱাৰ পাছৰ। কিন্তু ফিল্টাৰ বা ফ্রিজৰ বাহিৰত থকা পানীয়ে আমাক সঁচাকৈয়ে পানী খুৱাই আছে। প্রতিবছৰে খুৱায়।

ৰূপু – বানপানীৰ কথা বাতৰি কাকতত পঢ়িয়েই থাকোঁ, টিভিতো দেখি থাকোঁ মামা।

বিজু – আমাৰ অসমততো তলে পানী, ওপৰে পানী, সোঁৱে পানী, বাওঁৱে পানী। কিন্তু কিছু দিন আগৰ পৰা বাতৰি ওলাই আছে যে পানীৰ অভাৱে অসমকো জুৰুলা কৰিব।

দীপু – ব্রহ্মপুত্রৰ পানী হেনো ভয় লগাকৈ কমি গৈ আছে।

ৰূপু – নদীৰ বুকুত আগৰ নিচিনাকৈ পানী নহয়, বালিচৰহে বেছিকৈ দেখা পাইছোঁ মামা।

মাক – চীনে হেনো ব্রহ্মপুত্রক ভেটিছে। মানে অৰুনাচললৈ সোমোৱাৰ আগতে বান্ধ দি অন্যফালে পানী বোৱাই নিবলৈ লাগিছে?

বিজু – বাতৰি তেনেকৈ ওলাই নথকা নহয়। সঁচা – মিছা বেলেগ কথা। কিন্তু ব্রহ্মপুত্রৰ বুকুযে শুকান হ’বলৈ ধৰিছে তাত সন্দেহ নাই। পিছে অকল অসম বা ব্রহ্মপুত্রৰ পানীৰ কথাহে কিয় ভাবিছ – গোটেই পৃথিৱীৰ কথা ভাবচোন। পৃথিৱীখনত আমি অনুমান কৰাতকৈও বহু গুনে বেছিহে পানী আছে।

ৰূপু – পৃথিৱীতচোন সাগৰেই সাগৰ। পানীয়েই পানী।

বিজু – ওহোঁ। পৃথিৱীত যিমান পানী আছে তাৰ মাত্ৰ ৫ শতাংশ মানহে সাগৰত আছে।

মাক – কি কৈছ? বাকী পানী?

বিজু – বাকী প্ৰায় ৯৫ শতাংশ শিলাস্তৰৰ ভিতৰত আৱদ্ধ হৈ আছে। তাক কামত ব্যৱহাৰ কৰিব পৰা হোৱা নাই। ইয়াৰ সামান্য এটা অংশ অৱশ্যে বায়ুমণ্ডলতো আছে – জলীয়বাষ্পৰ ৰূপত।

দীপু – সাগৰৰ পানীওতো ব্যৱহাৰ কৰাত অসুবিধা আছে।

ৰূপু – লুনীয়া কাৰণে নহয়নে?

বিজু – এৰা? গতিকে আমি ব্যৱহাৰ কৰিব পৰা পানীৰ পৰিমাণ নিচেই কম। যিখিনি ব্যৱহাৰযোগ্য পানী আছে তাৰ ৯০ ভাগেই খেতিৰ কামত লগোৱা হয়। বাকী ১০ ভাগহে আন কামত ব্যৱহাৰ কৰা সম্ভৱ। ডাঙৰ ডাঙৰ চহৰত প্ৰতিজন লোকে নিতৌ ২৫০ লিটাৰ পৰিমাণে বিভিন্ন কামত ব্যৱহাৰ কৰে। কিন্তু ইয়াৰ সৰহখিনি অপচয়হে কৰে। হয়তো গাড়ী ধোৱা, বাথৰুমত ফ্লাছ কৰা – এনেবোৰত লগাতকৈ বেছিকৈ ব্যয় কৰে।

মাক – আমাৰো আক’ বাইকখন ধোওঁতে কিমান পানী লাগে দেখিয়েই থাকোঁ নহয়।

ৰূপু – গাড়ী ধুবলৈ তাৰ দহগুনমান বেছি লাগি যায়।

মাক – লাগিলেও অপচয় কমাবই লাগিব। অসমত পানীৰ অভাৱ নাই বুলি গৌৰব কৰিলে নহ’ব।

দীপু – আমাৰ ইয়াতযে মামা, বানপানীয়ে ইমান সা-সম্পত্তি ধ্বংস কৰে, তাতকৈ বানপানীৰ সহায়ত ভাল কাম কৰাব নোৱাৰিনে?

বিজু – মূল্যবান প্ৰশ্ন কৰিছ দিপু। ভাল কাম কৰাব পৰা যাব। কিছু কিছু পৰিকল্পনা কৰিব লাগিব। কিছু খৰচো কৰিব লাগিব। ব্যক্তিগতভাৱে, তেনে কাম কৰা সম্ভৱ নহ'ব পাৰে, চৰকাৰী ভাৱে পৰা যাব।

মাক – কিন্তু কথাটোনো কি? মানে কেনে কামৰ কথা ক'ব খুজিছ?

বিজু – মই ভাবোঁ, ঠায়ে ঠায়ে মজলীয়া আকাৰৰ পকী পুখুৰী সাজি তেনে পানী সেইবোৰত জমা কৰি ৰখাৰ ব্যৱস্থা কৰিব পৰা যায়। পাছত প্ৰয়োজনৰ দিনত সেই পানী ব্যৱহাৰ কৰিব পাৰি। বিশেষকৈ খেতি পথাৰত জলসিঞ্চনৰ কামত লগাব পাৰি।

দীপু – তেনেহ'লে এনে পুখুৰীৰ কথা আমি নুশুনো কিয়?

বিজু – আচলোতে তেনেকুৱা পুখুৰী সাজিবলৈ অসমত মাটি আৰু ধনৰ অভাৱ।

মাক- অসমত বৰ প্ৰয়োজনো নাই নেকি বিজু। কাৰণ ইয়াততো বহুতো পুখুৰীত পানী থাকেই। খেতিৰ বাবে সেই পানীও যথেষ্ট। ইয়াততো আৰু আন ৰাজ্যৰ দৰে বিভিন্ন খেতি কৰা নাযায়।

বিজু – শুনহঁক। বানপানী সংৰক্ষণৰ কথা সুকীয়াকৈ এৰ। পানী সংৰক্ষণৰ প্ৰচেষ্টা আজিৰ নহয়। আজিৰপৰা ৫০০০ মান বছৰ আগেয়ে মানুহে পানী সংৰক্ষণ আৰু পানীৰ সদব্যৱহাৰৰ বিষয়ে চিন্তা কৰিছিল। সিন্ধু সভ্যতাৰ কথা শুনিছনে তহঁতে?

দুয়ো – শুনিছোঁ মামা।

ৰূপু – হৰপ্পা আৰু মহেঞ্জোদাৰোৰ সভ্যতাৰ কথা নহয়নে?

বিজু – হয় হয়। সেই দুই চহৰত সিন্ধু সভ্যতাৰ ধ্বসৰ অৱশেষ পোৱা গৈছে। দুয়োখনতে মাটিৰ তলেদি নৰ্দমা বনোৱা দেখা গৈছিল।

দীপু – বিজ্ঞানত তেনে নৰ্দমাৰ ভগ্নাৱশেষৰ ছবিও দেখা পাওঁ মামা। বাৰু মামা, এই দুখন চহৰৰ বাহিৰেও আন কৰবাত পানী সংৰক্ষণ আৰু ব্যৱহাৰৰ চিন-মোকাম দেখা যায় নেকি?

বিজু – আছেতো। প্ৰাচীন কালত পানী সংৰক্ষণ কৰা ব্যৱস্থা যে আছিল তাৰ প্ৰমাণ পুণেৰ ওচৰতো পোৱা গৈছে। তাহানিৰ মানুহবোৰে কৰিছিল কি – শিল কাটি কাটি বহুতো ডাঙৰ আৰু মজলীয়া আকাৰৰ চৌবাচ্চা বা খালৰ নিচিনা লগা পাত্ৰ নিৰ্মাণ স্কৰিছিল। সেইবোৰত মানুহে বৰষুণৰ পানী জমা কৰি ৰাখিছিল।

ৰূপু – বাঃ শিলৰ পুখুৰী!

বিজু – আৰু শুনচোন। - তাহানি কালত ৰাজস্থানৰ মানুহে এনে ধৰণে ঘৰ সাজিছিল যাতে চাঁদৰ ওপৰত বৰষুণৰ পানী জমা কৰি ৰাখিব পৰা যায়। লগতে কৰিছিল কি – মাটিৰ তলত টেংকি সাজি চাঁদত জমা হোৱা পানী তালৈ নলীৰে বোৱাই নিছিল।

মাক – এনে ব্যৱস্থা থাকিব পাৰে।

বিজু – আছে। মধ্যপ্ৰদেশ, কৰ্নাটক আৰু মহাৰাষ্ট্ৰত অন্ততঃ আছে। অণ্যাণ্য কিছুমান ৰাজ্যতো আছে। বৰং পানী বোৱাই নিয়া নলী আদিৰ ব্যৱস্থা তাহানিতকৈ কিছু উন্নতহে।

ৰূপু – সেই পানী পাছত কি কৰে?

দীপু – তাৰ পৰা নলীৰে উলিয়াই নি খেতি – বাতিত দিব, চাফা হ'লে তাক কাপোৰ ধোৱা, গাড়ী ধোৱা, ঘৰ মচা আদি কামত ব্যৱহাৰ কৰিব।

মাক – খোৱাত নিশ্চয় নোৱাৰিব।

ৰূপু – তেনে পানীত বহুতো বীজানু থাকিব নহয় মা?

মাক – কথাই নাই, থাকিবই।

ৰূপু – বাৰু মামা ...

বিজু – কচোন।

ৰূপু – মাই কৰে কি- পাচলি ধোৱা পানী, চাউল ধোৱা পানী, আধা খাই গিলাচত এৰা পানী এইবোৰো বাল্টিত থৈ দিয়ে। ইমান কৃপণ!

বিজু – কি কৈছ? কৃপণ? বাইদেউৱে অতি সুন্দৰ কাম কৰিছে, সংৰক্ষণৰ কাম, জীয়া উদাহৰণ। সেই পানীতো ভাত ৰান্ধোতে ব্যৱহাৰ নকৰে – শাকনি বাৰিত পেলাব, কোনো ফুলৰ গুৰিত পেলাব, অথবা কোনো ফুল বা সৰু সুৰা ঘৰুৱা খেতিত লগাব।

মাক – এয়া মোৰ বহুদিনীয়া অভ্যাস।

বিজু – এটা কথা নহয়, পানী থোৱা পাত্ৰবোৰত ফটা-ফুটা আছে নেকি চাব লাগে। পানীৰ টেপ আৰু নলীবোৰো চাব লাগে।

দীপু – বহুত মানুহৰ পানীৰ অভাৰটেংকিতো লিক থাকে মামা।

বিজু – এৰা, সেইবোৰো মানুহে চাব লাগে।

ৰূপু –বহুতে আকৌ মুখ ধোঁওতে পানীৰ টেপটো খুলি থয়। তেতিয়া বহু পানী এনেয়ে গৈ থাকে।

বিজু – ঠিক লক্ষ্য কৰিছ। এনেকুৱা সকলো ধৰণৰ লিক সাৱধানে চাই পানীৰ অপচয় কমাবই লাগিব। তেতিয়াহে পানী সংৰক্ষণ কৰাত সফল হ'ব পৰা যাব।

দীপু – দেউতাই গাড়ী ধুৱাবলৈ গৈছে। গেৰেজবোৰে গাড়ী ধোঁওতে ডুখ লগাকৈ পানী অপচয় কৰে।

বিজু – এৰা। কিন্তু, কিন্তু সংৰক্ষণৰ অজুহাত দেখুৱাই পানী নাখালেতো বাচি থাকিব নোৱাৰিম! নে কি কৱ তহঁতে?

দুয়ো – হয় মামা।

বিজু – তেনে যা, মোৰ কাৰণে খোৱা পানী আৰু এগিলাচ আনগৈ, যা।

(সংগীত)

বিজু – উস্ , কি অসহ্য গন্ধ! কিহৰ অ’? ক’ৰপৰা আহিছে?

দীপু – নলাৰ গোন্ধ মামা। আমি অভ্যস্ত হৈ গৈছোঁ।

মাক – সৌ যে কেঁকুৰিটো দেখিছ, কেঁকুৰিটো ঘূৰিলেই এটা কিবা ফেক্টৰি আছে। তাৰ ওচৰেদি আৰু যাবই নোৱাৰি।

ৰূপু – জাগীৰোডৰ মাজেদি গ’লে যে! ছেঃ, ওকালি আহি যায়!

বিজু – হুঁ, বায়ু প্ৰদুষণ। সেয়া বায়ু প্ৰদুষণ । বাতৰি কাকত নিয়মীয়াকৈ পঢ়?

দুয়ো – পঢ়োঁ।

বিজু – অলপতে বাতৰি ওলাইছে মনত পৰিছেনে – দিলী হেনো গেছ চেম্বাৰত পৰিণত হৈছে?

মাক – অকল দিল্লীহে নে, ভাৰতৰ ভালে কেইখন চহৰতে প্ৰায় একেই অৱস্থা।

দীপু – গুৱাহাটীৰ বায়ু অৱশ্যে সিমান বেছি প্ৰদূষিত নহয়। নহয়নে মামা?

বিজু – দিল্লীৰ তুলনাত নিশ্চয় কম। যি নহওক, এটা কথা এতিয়া সকলো মানুহেই জনা হৈছে যে বায়ু প্ৰদুষণে আমাৰ ভয়ংকৰ ভৱিষ্যৎ ৰচনা কৰিছে। বাৰু কচোন দীপু আৰু ৰূপু – বায়ুমণ্ডলত কি গেছ বাঢ়ি থকা কাৰণে বিজ্ঞানী, সমাজবিজ্ঞানী সকলো মানুহৰ চিন্তা হৈছে?

ৰূপু – কাৰ্বন – ডাই – অক্সাইড।

বিজু – এৰা, কাৰ্বন – ডাই –অক্সাইড বাঢ়ি গৈ আছে। পৃথিৱীৰ বায়ুমণ্ডলত বায়ুৰ ৩০০ নিযুতাংশহে কাৰ্বন-ডাই-অক্সাইড থাকিব লাগে। তাতকৈ বেছি হ'লে বিপদ হ'ব পাৰে। কিন্তু সম্প্ৰতি ই বাঢ়িগৈ ৪০০ নিযুতাংশ পাইছে। এই হিচাপ পুৰণা হ'বলৈ লৈছে – বাঢ়িহে গৈ আছে।

মাক – তাৰ মানে বিপদ অনিৰ্বায্য।

দিপু – মামা, কাৰ্বন-ডাই-অক্সাইড বাঢ়ি যোৱা কাৰণেইতো পৃথিৱীৰ সামগ্ৰিক উষ্ণতা বাঢ়ি গৈছে, নহয়নে?

বিজু – হয়, আৰু সামগ্ৰিক উষ্ণতা বঢ়া কাৰণে গোটেই পৃথিৱীৰ জলবায়ুৰ পৰিৱৰ্তন ঘটিব ধৰিছে। ইয়াৰ ফলত কি হৈছে – নহ'ব লগা কালত প্ৰচুৰ বৰষুণ হৈছে, বানপানী হৈছ। একে দৰে অসময়ত অনাবৃষ্টিও  হৈছে। নহ'ব লগা ঠাইত মৰুভূমি হৈছে বা হ'বলৈ লৈছে।

ৰূপু – জাৰৰ দিন আৰু গৰমৰ দিনো আগৰ দৰে নাই যেন লাগে।

মাক – হয় হয়, ফাগুন মাহতো পুহৰ দৰে ঠাণ্ডা লাগিব পাৰে,  এনেকুৱা হৈছে।

ৰূপু – কিন্তু বিজ্ঞানী সকলে কিবা এটা কৰিবতো পাৰে।

দীপু – তেওঁলোকে কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ কমোৱাৰ ব্যৱস্থা কৰিব পাৰে।

বিজু – ঠিকেই কৈছ। কিন্তু কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ কমোৱাটো মুখৰ কথা নহয়, অতি টান। বিজ্ঞানী সকলে, আচলতে বিজ্ঞানী সকলেই অকল নহয়, তেওঁলোকৰ লগতে গোটেই পৃথিৱীৰ ৰাজনৈতিক নেতাসকলেও লগ হৈ এটা কাম কৰিবলৈ লৈছে – কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ আগৰ হাৰত বাঢ়িবলৈ নিদিওঁ বুলি চুক্তি কৰিছে – আন্তৰ্জাতিক চুক্তি।

মাক – চুক্তি ভংগ নকৰিলে সফল হ’ব নিশ্চয়।

বিজু – চুক্তিৰ আঁৰত কি থাকিব বুজিছনে? ডাঙৰ ডাঙৰ কাৰখানাবোৰে বায়ুমণ্ডললৈ আগৰ তুলনাত কমকৈ সেই গেছ এৰিব লাগিব।

ৰূপু – পৃথিৱীৰ সকলো দেশে কৰিব নালাগিবনে মামা?

বিজু – লাগিব। অৱশ্যে আমেৰিকা, চীন, জাপান আদি বেছি ডাঙৰ উদ্যোগ থকা দেশে চুক্তিবোৰ মানি চলিলে কামটো সহজ হয়।

মাক – আমি ঘৰুৱা ভাৱেও কিবা কৰিব পাৰোঁনে?

বিজু – পাৰোঁ, দুই চাৰি দিনত নহ’লেও ভৱিষ্যতে কামত অহাকৈ আমি গছ ৰুব পাৰোঁ।

ৰূপু – হুঁ, আমি কিতাপত পঢ়িছো মামা, গছে কাৰ্বন – ডাই- অক্সাইডৰ সহায়ত খাদ্য তৈয়াৰ কৰে। গতিকে গছ-গছনি বেছি থাকিলে গেছটো বেছি পৰিমানে খৰচ হ’ব।

বিজু – ঠিক কৈছ। এনেকুৱা প্ৰচেষ্টা বহু ধৰনে বিভিন্ন ঠাইত চলি আছে, বুইছ। আজিযে তহঁতে প্ৰজেক্ট এটা লৈছ, আওপকীয়া ভাৱে ইও এই ক্ষেত্ৰত সহায় কৰিব।

ৰূপু – তাৰ মানে আমাৰ প্ৰজেক্টটোৰ গুৰুত্ব আছে?

বিজু – কিয় নহ’ব, আছে।

(গাড়ীৰ হৰ্ণ বাজে)

ৰূপু – এইয়া, আমাৰ গাড়ী আহি গ’ল। ব’ল দাদা, ওলাওঁগৈ ব’ল।

দীপু – ৰচোন, ইমান বলিয়া হ’ব নালাগে। মামা, আপুনিও আমাৰ লগত ওলাব লাগিব।

বিজু – হ’ব, যাম বাৰু। তাৰ আগতে ...

দুয়ো – মা ...

মাক – ক’বই নালাগে অ’, বুইছোঁ – এই কানীয়াটোক চাহ একাপ লাগে।

( আটায়ে হাঁহে)

*****************************************************

প্ৰশ্নঃ

১. আমি পৃথিৱীত বাচি থাকিবলৈ হ’লে অন্ততঃ কি কি উপাদানৰ প্ৰয়োজন?

উঃ মাটি, পানী আৰু বায়ু।

২. ৰাসায়নিক সাৰত কি কি পুষ্টি দ্ৰব্য থাকে?

উঃ নাইট্ৰ’জেন, ফছফ’ৰাছ আৰু পটেছিয়াম।

*****************************************************